নং ঃ ৬৯৪/২০২০

## ভাৰতবৰ্ষৰ প্ৰথমখন চহৰ হিচাপে গুৱাহাটী মহানগৰীৰ ৰাইজৰ বাবে 'মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি'ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## মাটি বিক্ৰীৰ অনুমতিৰ ক্ষেত্ৰত আপত্তিবিহীন প্ৰমাণ পত্ৰ অনলাইনযোগে যোগান ধৰা এক প'ৰ্টেলো উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## মহানগৰীখনক পৰিচ্ছন্ন কৰি ৰখাটো ক প্ৰতিগৰাকী নাগৰিকে নিজৰ আত্মসন্মানৰ বিষয় হিচাপে গ্ৰহণ কৰিলেহে গুৱাহাটীৰ স্বাভিমান অটুট থাকিব ঃ মুখ্যমন্ত্ৰী

## 'ইজ অৱ ডুৱিং বিজনেছ' সন্দৰ্ভত ইতিপূৰ্বে কৰা চৰকাৰী ঘোষণাসমূহৰ ৰূপায়ণৰ স্থিতি পৰীক্ষণৰ বাবে অতিশীঘ্ৰে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠনৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ ছেপেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত 'মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি' নামৰ এক অভিলাষী আঁচনিৰ শুভ উদ্বোধন কৰে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ আৰু গুৱাহাটী পৌৰ নিগমৰ যৌথ উদ্যোগত হাতত লোৱা এই আঁচনিৰ জৰিয়তে গুৱাহাটী মহানগৰীৰ বাসিন্দাসকলে ৬৭০ বৰ্গ মিটাৰ (২.৫ কঠা) পৰ্যন্ত মাটিত ভূমি মহলাসহ দুই মহলালৈকে আবাস গৃহ নিৰ্মাণৰ বাবে থিতাতে প্ৰয়োজনীয় অনুমতি লাভ কৰিব। একে অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে মাটি বিক্ৰীৰ অনুমতিৰ ক্ষেত্ৰত আপত্তিবিহীন প্ৰমাণ পত্ৰ অনলাইনযোগে যোগান ধৰা বাবে প্ৰস্তুত কৰা এক প'ৰ্টেলো উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে দুয়োটা আঁচনিৰ দুগৰাকী হিতাধিকাৰী ক্ৰমে গৌতম বৰ্মন আৰু অতুল বসুমতাৰীক গৃহ নিৰ্মাণৰ অনুমতি পত্ৰ আৰু মাটি বিক্ৰীৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দেশৰ ভিতৰতে প্ৰথমখন চহৰ হিচাপে

মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি গ্ৰহণৰ জৰিয়তে গুৱাহাটী মহানগৰীৰ বাসিন্দাসকলৰ এক দীৰ্ঘদিনীয়া সপোন দিঠকত পৰিণত হ'ল। সৰ্বসাধাৰণ ৰাইজে গৃহ নিৰ্মাণৰ অনুমতিৰ বাবে পূৰ্বে সন্মুখীন হোৱা জটিলতাসমূহৰ অৱসান ঘটাই এই আঁচনিয়ে ন্যূনতম ৪ লেচা (৫৭৬ বৰ্গফুট) মাটিৰ গৰাকী লোক এজনকো গৃহ নিৰ্মাণৰ বাবে যাৱতীয় অনুমতি লাভ কৰাত সহায় কৰিব। গুৱাহাটী মহানগৰীৰ ভৌগোলিক অৱস্থান আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ কোনো তুলনা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী চহৰক নতুন পোছাক পিন্ধাই দক্ষিণ-পূব এছিয়াৰ আটাইতকৈ সুন্দৰ আৰু অগ্ৰণী চহৰ হিচাপে গঢ়ি তোলাৰ বাবে থকা চৰকাৰৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ মহানগৰীৰ বাসিন্দাসকলো আগবাঢ়ি আহিব লাগিব। এখন স্বচ্ছ আৰু নিকা মহানগৰী গঢ়িবলৈ হ'লে ঘৰুৱা আৰু ঔদ্যোগিক আবৰ্জনাসমূহ উৎসতে পৃথকীকৰণ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। উন্নত চহৰসমূহত জাৱৰৰ পৰা শক্তি আহৰণ কৰি ইয়াক সম্পদ হিচাপে ব্যৱহাৰ কৰাৰ দিশলৈ আঙুলিয়াই এই ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিবলৈ তেওঁ সংশ্লিষ্ট পক্ষসমূহলৈ আহ্বান জনায়। গুৱাহাটী মহানগৰীক পৰিচ্ছন্ন কৰি ৰখাটোক চহৰখনৰ প্ৰতিগৰাকী বাসিন্দাই আত্মসন্মানৰ বিষয় হিচাপে গ্ৰহণ কৰিলেহে গুৱাহাটীৰ স্বাভিমান অটুট থাকিব বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত সংসদৰ মজিয়াত প্ৰদান কৰা নিজৰ প্ৰথমটো ভাষণত উত্তৰ-পূৰ্বাঞ্চলক দেশৰ ৫৪৫ গৰাকী সাংসদৰ আগত নতুনকৈ পৰিচিত কৰাই দিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নক ৰাষ্ট্ৰীয় কৰ্মসূচীত বিশেষ স্থান প্ৰদান কৰি পূৰ্বে অবহেলিত এই এলেকাটোক দেশৰ মূলসুঁতিত স্থান দিয়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিলে। ড° মনমোহন সিং নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে 'লুক ইষ্ট পলিচী'ক মাথোঁ ঘোষণাৰ মাজতে সীমাবদ্ধ ৰাখি ইয়াক বাস্তৱত ৰূপায়ণৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। কিন্তু নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিয়েই ইয়াক 'এক্ট ইষ্ট'লৈ সলনি কৰি ১০ খন আছিয়ান ৰাষ্ট্ৰ আৰু ৩ খন বিবিএন ৰাষ্ট্ৰৰ বৃহৎ বজাৰ দখলৰ বাবে উপযোগী কৰি তুলিলে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উড়ান ইন্টাৰনেশ্যনেল, বাংলাদেশৰ কক্স বজাৰৰ পৰা দ্ৰুতবেগী ইন্টাৰনেট সংযোগ, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, দ্বৈত ৰে'ল পথ আৰু ৰে'ল পথৰ বৈদ্যুতিকৰণ আদি সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে।

গুৱাহাটী মহানগৰৰ দ্ৰুত হাৰত জনবসতি বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ভৱিষ্যতৰ গুৱাহাটীখনৰ কথা চিন্তা কৰিয়েই বৰ্তমানৰ চৰকাৰে ৰাজ্যিক ৰাজধানী অঞ্চল প্ৰকল্প গ্ৰহণ কৰি গুৱাহাটীৰ সীমা টিহু, চিপাঝাৰ, ছয়গাঁও আৰু জাগীৰোডলৈকে সম্প্ৰসাৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিলে। আজি আৰম্ভ হোৱা মুখ্যমন্ত্ৰী সহজ গৃহ নিৰ্মাণ আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণত স্থানীয় ৰিয়েল ইষ্টেট ডেভ্‌লপাৰ আৰু আৰ্কিটেকসকলকো বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অৱগত কৰে যে তেওঁলোকৰ আহ্বান অনুসৰি চৰকাৰে শীঘ্ৰে 'ইজ অৱ ডুৱিং বিজনেছ' সন্দৰ্ভত ইতিপূৰ্বে কৰা চৰকাৰী ঘোষণাসমূহৰ ৰূপায়ণৰ স্থিতি পৰীক্ষণৰ বাবে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই কয় যে মাথোঁ ২০১৬ চনৰ পৰাই নহয়, ৰাজ্যত তথ্য প্ৰযুক্তিৰ বিকাশ তাৰ বহু আগেয়ে হৈছিল, কিন্তু পূৰ্বৰ কোনো এখন চৰকাৰে এই ডিজিটেল ব্যৱস্থাক জনসাধাৰণৰ কল্যাণৰ কামত ব্যৱহাৰ কৰা নাছিল। মুখ্যমন্ত্ৰীৰ সহজ গৃহ

নিৰ্মাণ আঁচনিৰ দৰে এখন ঐতিহাসিক আঁচনি সম্ভৱ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গ্ৰহণ কৰা ভূমিকাৰ বাবে মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ অনুষ্ঠানত গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক অশোক সিংহাল, গুৱাহাটী উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, আচাম ৰিয়েল ইষ্টেট ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভলপমেণ্ট এছ'চিয়েশ্যনৰ সভাপতি প্ৰণৱ কুমাৰ শৰ্মা আৰু এছ'চিয়েশ্যন অৱ আৰ্কিটেকচ্, অসমৰ সাধাৰণ সম্পাদক অমিতাভ শৰ্মাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা, মুখ্য কাৰ্যবাহী বিষয়া উমানন্দ দলেকে ধৰি জি এম ডি এ, গুৱাহাটী পৌৰ নিগমৰ শীৰ্ষ বিষয়াসকলৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখ্যযোগ্য যে গুৱাহাটী চহৰত গৃহ নিৰ্মাণৰ কাৰ্যকলাপক উদগণি যোগোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী সোণোৱালৰ বিশেষ তৎপৰতাত গুৱাহাটী উন্নয়ন বিভাগে চলিত বছৰৰ ৫ মে' তাৰিখে গুৱাহাটী বিল্ডিং কনষ্ট্ৰাকশ্যন (ৰেগুলেশ্যন) বায়-ল সংশোধন কৰি মুখ্যমন্ত্ৰীৰ সহজ গৃহ নিৰ্মাণ আঁচনি গ্ৰহণ কৰে। আজি উন্মোচন কৰা এই আঁচনিৰ জৰিয়তে এতিয়াৰ পৰা মহানগৰীৰ বাসিন্দাসকলে www.mmsgna.in অনলাইন প'ৰ্টেলত আবেদন কৰি প্ৰয়োজনীয় নক্সা, নথি-পত্ৰ আৰু মাচুল জমা দিয়াৰ পিছত তাৎক্ষণিকভাৱেই অনুমোদিত নক্সাৰ সৈতে গৃহ নিৰ্মাণৰ অনুমতি লাভ কৰিব। সেইদৰে www.gmdalsp.in প'ৰ্টেলৰ জৰিয়তে মহানগৰীৰ ৰাইজে কোনো কাৰ্যালয়লৈ নোযোৱাকৈয়ে ঘৰৰে পৰাই মাটি বিক্ৰীৰ অনুমতি লাভ কৰিবলৈ সক্ষম হ'ব। এই দুয়োটা সেৱাৰ ক্ষেত্ৰত নাগৰিকসকলে তেওঁলোকৰ আবেদনৰ অৱস্থিতি এছ এম এছ আৰু ই মেইলৰ যোগেদি পাবলৈ সক্ষম হ'ব।

**প্ৰঃকুঃবঃ**
**১৯/১০/২০২০**